## কলগাছিয়াত আন্তৰ্জাতিক নাৰী দিৱসৰ সজাগতা সভাত ডাঃ ইলিয়াছ আলী

# দেশ গঢ়িবলৈ নাৰীক শিক্ষিত কৰাৰ আহ্বান

নিয়মীয়া বাৰ্তা, কলগাছিয়া, ৮ মাৰ্চঃ কলগাছিয়াস্থিত নৱজ্যোতি মহাবিদ্যালয়ৰ লগতে কলগাছিয়া এম ই স্কুলতো আজি বিশ্ব নাৰী দিৱস উদ্‌যাপন কৰে। নাৰী দিৱস উপলক্ষে এ ছি টি এ বৰপেটা জোনৰ সৌজন্যত আৰু নৱজ্যোতি মহাবিদ্যালয় কলগাছিয়াৰ শিক্ষক গোটৰ উদ্যোগত কলেজ চৌহদত বিশ্ব নাৰী দিৱস উপলক্ষে নাৰীৰ স্বাস্থ্য আৰু নিৰাপত্তা সম্পৰ্কে এখন সজাগতা সভাও অনুষ্ঠিত কৰা হয়। নৱজ্যোতি কলেজৰ অধ্যাপক আতোৱাৰ ৰহমানৰ সঞ্চালনাত অনুষ্ঠিত সজাগতা সভাত বিশিষ্ট চিকিৎসক ডাঃ ইলিয়াছ আলীয়ে এখন উন্নত ভাৰতবৰ্ষ গঢ়িব তুলিবলৈ নাৰীসকলক শিক্ষিত কৰিবলৈ আহ্বান জনায়। বিশিষ্ট চিকিৎসকগৰাকীয়ে কয় যে বিজ্ঞানীসকলৰ মতে ২০২০ চনত ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত পানীৰ নাটনি হ'ব। তাৰ ফলত মানুহ অনাহাৰ আৰু অনিদ্ৰাত মৰিব লাগিব। তেওঁ প্ৰসংগক্ৰমে কয় যে ১৯১৮ চনত পৃথিৱীত জনসংখ্যা আছিল মাত্ৰ ৯৮ কোটি, কিন্তু সেই জনসংখ্যা বৃদ্ধি পাই এতিয়া চাৰিশ পাঁচ কোটিলৈ বাঢ়িছে। বিশিষ্ট চিকিৎসকগৰাকীয়ে আৰু কয় যে জনসংখ্যাৰ বিস্ফোৰণেই সংঘাত আৰু সাম্প্ৰদায়িকতাৰ মূল কাৰণ বুলি উল্লেখ কৰি জনবিস্ফোৰণ নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে আমাৰ দেশখন আগবঢ়াই নিয়া অসম্ভৱ। অনুষ্ঠানটোত নৱজ্যোতি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ছাহজাহান আলী আহমেদ, বিশিষ্ট চিকিৎসক নজিৰুল ইছলাম, ডাঃ হাছমত আলী, অৱসৰপ্ৰাপ্ত খণ্ড উন্নয়ন বিষয়া মোজাম্মিল হুছেইন, কলেজ সন্থাৰ ৰাজ্যিক উপ-সভাপতি কিশোৰ ডেকা, বৰপেটা জিলাৰ জুনৰ সম্পাদক ড° জগদীশ শৰ্মা, অধ্যাপক আবুবকাৰ ছিদ্দিক, অধ্যাপক শ্বাহজামাল শ্বেখ, অধ্যাপক হানিফ মোস্তাক, কলগাছিয়া মহকুমা সাংবাদিক সন্থাৰ সভাপতি তথা নিউজ লাইভৰ জ্যেষ্ঠ সাংবাদিক আব্দুল হাই প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আনহাতে, আজি পুৱা ১০ বজাত কলগাছিয়া এম ই স্কুলতো হেল্পলাইন ফাউণ্ডেচনৰ উদ্যোগত নাৰী দিৱস উপলক্ষে এখন সজাগতা সভা অনুষ্ঠিত হয়।

